# নলবাৰীত বিশ্ব চিকল চেল দিৱস পালন

# চিকল চেল এনিমিয়া নিৰ্মূল সজাগতা অভিযানৰ শুভাৰম্ভ



ষ্টাফ ৰিপ'ৰ্টাৰ, নলবাৰী, ১৯ জুন ঃ ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, নলবাৰীৰ উদ্যোগত আজি জিলাখনৰ সকলো চিকিৎসালয়ত বিশ্ব চিকল চেল দিৱস পালন কৰা হয়। এনিমিয়া মুক্ত সমাজ গঢ়াৰ লক্ষ্যৰে ১৯ জুনৰ পৰা ৩ জুলাইলৈ চিকল চেল এনিমিয়া নিৰ্মূল সজাগতা অভিযান অব্যাহত ৰখা হ'ব। এই অভিযানৰ সময়ছোৱাত ০-৪০ বছৰ বয়সৰ ব্যক্তিৰ চিকল চেল পৰীক্ষা কৰা হ'ব। আজি বিশ্ব চিকল চেল দিৱস উপলক্ষে সানেকুছিস্থিত পশ্চিম বৰ্ডিগোগ অম্বাপ্ৰিয়া চৌধুৰী হাইস্কুলত এক বিশেষ স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। চিকল চেল এনিমিয়া ৰোগত ভুগা ব্যক্তিৰ লোহিত ৰক্ত কণিকা স্বাভাৱিক নহৈ কাঁচি আকৃতিৰ হয়। ফলস্বৰূপে কোষবিলাকৰ আয়ুস ১২০ দিনতকৈ কম হয়। এই ৰক্তকণিকাবোৰ সোনকালে ভাগি যোৱাৰ ফলত ভুক্তভোগী ব্যক্তিজনে ৰক্তহীনতাত ভোগে আৰু সততে ক্লান্তি অনুভৱ কৰে। তদুপৰি স্বাস-প্ৰশ্বাসত অসুবিধা বা মূৰ ঘূৰণি হ'ব পাৰে। এই চিকল চেলবোৰ অপৈণত অৱস্থাত ভাগি যোৱা বাবে ইয়াৰ উপাদানসমূহে ক্ষুদ্ৰ ক্ষুদ্ৰ ৰক্তবাহী শিৰা, উপশিৰাৰ যোগেদি হোৱা ৰক্তপ্ৰবাহত ব্যাঘাত জন্মায় আৰু সেই ঠাইবোৰত বিষ সৃষ্টি কৰে যাক চিকল চেল ক্ৰাইচিছ বুলি কোৱা হয়। হিম'গ্লবিনে হাওঁফাওঁৰ পৰা অক্সিজেন দেহৰ সকলো অংগ-প্ৰত্যংগলৈ কঢ়িয়াই লৈ যায়। চিকল চেল এনিমিয়াত আক্ৰান্ত ৰোগীৰ দেহত যিহেতু হিম'গ্লবিনৰ পৰিমাণ কম থাকে, দেহৰ সকলো অংগ-প্ৰত্যংগই প্ৰয়োজনীয় অক্সিজেন নাপায়। যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ কৈলাশ ডেকাই কয় যে চিকল চেল এনিমিয়া ৰোগৰ সঠিক পৰীক্ষাই প্ৰসূতি আৰু শিশুৰ মৃত্যুৰ হাৰ হ্ৰাস কৰাত সহায় কৰিব। জীৱনক জীৱনদায়িনী শক্তি প্ৰদান কৰা তেজক সুৰক্ষিত কৰি ৰাখিবলৈ চিকল চেল এনিমিয়া ৰোগৰ বিষয়ে জনসজাগতাৰ প্ৰয়োজন আছে। অনুষ্ঠানত যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ কৈলাশ ডেকা, মহকুমা চিকিৎসা আৰু স্বাস্থ্য বিষয়াদ্বয় ডাঃ মধুৰাম বৈশ্য আৰু ডাঃ সুৰেন্দ্ৰ মজুমদাৰ, সানেকুছি ৰাজিক চিকিৎসালয়ৰ ভাৰপ্ৰাপ্ত চিকিৎসক ডাঃ হেমেন শৰ্মা, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, নলবাৰীৰ জিলা আঁচনি বিষয়া মিনাক্ষী বৰপুজাৰী, জিলা মিডিয়া বিশেষজ্ঞ পলাশজ্যোতি বৰা, জিলা সামূহিক সমন্বয়ক সোনমণি ডেকা শৰ্মা, পশ্চিম বৰ্ডিগোগ অম্বাপ্ৰিয়া চৌধুৰী হাইস্কুলৰ প্ৰধান শিক্ষক গিৰীন্দ্ৰ দেৱশৰ্মা প্ৰমুখ্যে স্বাস্থ্য বিভাগৰ বিষয়া-কৰ্মচাৰী, শিক্ষক-শিক্ষাৰ্থী তথা স্থানীয় ৰাইজ উপস্থিত আছিল।